জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

১ বছৰ । ৬৯ সংখ্যা, ২৮ আহিন, বুধবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily | VOL. 61 NO. 69 | DIBRUGARH, WEDNESDAY, OCTOBER 15, 2025 | পৃষ্ঠা ১৬ (Pages 16) | ৯.০০ টকা (Rs. 9.00)

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৬০০২৩ ১৭০৪০

## কানৈ মহাবিদ্যালয়ত ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত জাহ্নু বৰুৱা

# সমাজৰ বাবে চলচ্চিত্ৰ গঠনমূলক-মানৱতাবাদী হোৱা উচিত

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৪ অক্টোবৰ ঃ** 'গঠনমূলক চলচ্চিত্ৰইহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে।' অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) গোটৰ উদ্যোগত চলিত মাহৰ ১৩ তাৰিখে আয়োজিত অষ্টবিংশতিতম পণ্ডিতপ্ৰৱৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা, পদ্মভূষণ জাহ্নু বৰুৱাই এইদৰে কয়। বক্তৃতাৰ আৰম্ভণিতে বৰুৱাই পণ্ডিতপ্ৰৱৰ ডঃ যোগীৰাজ বসু আৰু কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃত পাণ্ডিত্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ সংস্কৃতক এক শক্তিশালী ভাষা বুলি উল্লেখ কৰে আৰু সংস্কৃত ভাষাক মৃত ভাষা বুলি প্ৰচাৰ হোৱাটো এক দুখৰ বিষয় বুলি মতপোষণ কৰে। বৰুৱাই কয়— 'জীৱনকালত সকলো কাম অতি নিষ্ঠাসহকাৰে কৰি গ'লে তীব্ৰগতিত আগুৱাই নগ'লেও হয়।' মুখ্যদ্বাৰৰপৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ নিয়া সভাত তেওঁ কয়— 'জ্ঞান সকলোৱে আহৰণ কৰে, সেই জ্ঞানক অপব্যৱহাৰ নকৰি সমাজ সংস্কাৰৰ সঠিক মাধ্যম হিচাপে প্ৰয়োগ কৰা উচিত।' অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ডঃ মন্ত্ৰী বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত নৱ প্ৰজন্মক উদ্দেশ্যি তেওঁ কয়, 'নৱ প্ৰজন্মই নিজৰ আৰ্জিত জ্ঞান সঠিক দিশত ব্যৱহাৰ কৰি সমাজক আগুৱাই নিয়াত সহায় কৰিব পাৰে।' মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ডঃ যোগীৰাজ বসুক শ্ৰদ্ধাৰে সুঁৱৰি কয়, 'শিক্ষা মানে কেৱল মাথোঁ ডিগ্ৰী নহয়, শিক্ষা মানে চিন্তা কৰাৰ ক্ষমতা, এনে দৰ্শনত বিশ্বাসী মহামানৱৰ গুণেৰে সমৃদ্ধ ব্যক্তি ডঃ যোগীৰাজ বসুৱে সৃষ্টি কৰি যোৱা, গঢ়ি যোৱা প্ৰতিটো ভৱন, প্ৰতিটো কোঠা, প্ৰতিটো সৃষ্টি, কৰ্মৰাজি আজিও মহাবিদ্যালয়ৰ চৌহদৰ বতাহত ধ্বনিত হৈ আহিছে।' বন্তি প্ৰজ্বলন আৰু মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আতিকুদ্দিন আহমেদে প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ডঃ যোগীৰাজ বসু, ডঃ লক্ষ্মীপ্ৰসাদ দত্ত, অশ্বিনী চৰণ চৌধুৰী আৰু হনুমানবক্স সুৰজমল কানৈয়ে মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অনৱদ্য বৰঙণিক শ্ৰদ্ধাৰে সোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰদ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ডঃ আহমেদে ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ ইতিহাস ৰোমন্থন কৰি উল্লেখ কৰে যে ১৯৮৫ চনত কানৈ কলেজ শিক্ষক গোটৰ সম্পাদক মুনিন শৰ্মাৰ নেতৃত্বত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু ডঃ বীৰেন্দ্ৰ নাথ দত্তই প্ৰথমলানি বক্তৃতা প্ৰদান কৰিছিল। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ডঃ মধুমিতা পুৰকায়স্থই সভাপতিত্ব কৰা সভাত পৰিচালনা সমিতিৰ সদস্য ডঃ গোপাল চন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ কানৈ, উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলি, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈয়ে মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষক গোটৰ তৰফৰপৰা মুখ্য বক্তা, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ



আতিকুদ্দিন আহমেদক চেলেং, স্মাৰক, কিতাপৰ টোপোলা, স্থিৰচিত্ৰ আৰু সম্বৰ্দ্ধনাপত্ৰৰে উষ্ম আদৰণি জনোৱা হয়। উল্লেখ্য যে অনুষ্ঠানৰ আৰম্ভণিতে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ডিব্ৰু মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ, কানৈ মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় চহৰৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ সৈতে এক অন্তৰংগ-আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।